অসম বিধান সভা
তৰাচিহ্নিত প্ৰশ্ন নং : ৫০
উত্তৰ দানৰ তাৰিখ : ০৮ /০ ৭ / ২০২৬

*বিষয়ঃ* **ডিগবৈ সমষ্টিৰ ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত থকা কৃষি ভূমিসমূহ কৃষি উপযোগীকৈ ব্যৱস্থা লোৱাৰ সম্পৰ্কে ।**

বিধায়কৰ নাম: শ্ৰী সুৰেণ ফুকনঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ডিগবৈ সমষ্টিৰ অন্তৰ্গত ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ বৰতৰাণি, বেতনি, শান্তিপুৰ, বেঙেনাবাৰী, ৰাইডাং, টিংৰাই, অসমীয়া গাঁও, ৰাইডাং বঙালী ইত্যাদি গাঁৱৰ কৃষক ৰাই জৰ একেলগে থকা বৃহত্তৰ ৩ হাজাৰোধিক কৃষিভূমিত বছৰত কেৱল এটা খেতি (শালি খেতি) কৰা হয় । এই বৃহৎ কৃষিভূমি অঞ্চল বছৰৰ অৰ্ধেক সময় পৰিত্যক্ত হৈ থাকে। এই বৃহৎ কৃষি ভূমিক বছৰৰ সকলো সময়তে খেতি কৰাৰ বাবে বিভাগে কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

উত্তৰ

<u>মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিব।</u>

ৰাষ্ট্ৰীয় ঘাইপথ (NH-৩৮) সংলগ্ন বৰ-তৰণী, বেতনি, শান্তিপুৰ, বেঙেনাবাৰী,ৰাইডাং, টিংৰাই, অসমীয়া গাঁও, ৰাইডাং বঙালী আদি অঞ্চলসমূহত দ্বি-ফচলী কৃষিকাৰ্য ( Double Cropping ) প্ৰসাৰ কৰাৰ উদ্দেশ্যে, কৃষি বিভাগ, তিনিচুকীয়াই বিভিন্ন তথ্য, শিক্ষা আৰু যোগাযোগ ( IEC ) কাৰ্যসূচী গ্ৰহণ কৰিছে।
এই কাৰ্যসূচীৰ অন্তৰ্গত দ্বি-ফচলী কৃষিৰ ওপৰত সজাগতা শিবিৰ, দ্বি-ফচলী কৃষি প্ৰসাৰৰ বাবে কেন্দ্ৰীভূত গোট আলোচনা ( Focused Group Discussion ) আদি অনুষ্ঠিত কৰা হৈছে।
কৃষি ভূমিত জলসিঞ্চনৰ বাবে কৃষি বিভাগৰ RIDF, PMKSY আদি আঁচনি চলি আছে। ইচ্ছুক কৃষকে আবেদন কৰি এই আঁচনিৰ সুবিধা গ্ৰহণ কৰিব পাৰে।
ইয়াৰ উপৰিও, কেইবাজনো প্ৰগতিশীল কৃষকক চিনাক্ত কৰা হৈছে আৰু তেওঁলোকক উক্ত অঞ্চলসমূহত দ্বি-ফচলী কৃষিৰ আদৰ্শ ( Role Model ) হিচাপে অন্য কৃষকসকলক উৎসাহিত কৰি আহিছে।

*************